বঙাইগাঁও বিশ্ববিদ্যালয়ত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত গৌতম শৰ্মা

# জুবিনৰ গীতে সৰ্বসাধাৰণ লোকৰ হৃদয়ত খুন্দিয়াই যায়



*বঙাইগাঁও বিশ্ববিদ্যালয়ত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকল*

**'আমাৰ অসম'ৰ বঙাইগাঁৱৰ প্ৰতিনিধি, ৬ নৱেম্বৰ ঃ** অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ পবিত্ৰ স্মৃতিত বঙাইগাঁও বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক কোষৰ উদ্যোগত বৃহস্পতিবাৰে শ্ৰদ্ধাঞ্জলি আৰু সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হয়। বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট গীতিকাৰ, সুৰকাৰ তথা "আমাৰ অসম" কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মা। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক তৰণী ডেকাই উন্মোচন কৰা এই অনুষ্ঠানত উপস্থিত থাকে বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° দীনেশ দাস আৰু জুবিন অনুৰাগী হেমন্ত গোস্বামী। উপাচাৰ্য্য অধ্যাপক তৰণী ডেকাই নিজৰ ভাষণ প্ৰসংগত প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ বহুমুখী প্ৰতিভাৰ ওপৰত আলোকপাত কৰে। মুখ্য অতিথি গৌতম শৰ্মাই তেওঁৰ ভাষণত জুবিন গাৰ্গৰ গীতৰ সূক্ষ্ম বিশ্লেষণ আগবঢ়াই প্ৰয়াত শিল্পীগৰাকীৰ সৈতে অতিবাহিত কৰা বিভিন্ন স্মৃতি ৰোমন্থন কৰে। তেওঁ মত পোষণ কৰি কয় যে জুবিনৰ গীতে যদি সৰ্বসাধাৰণ লোকৰ হৃদয়ত খুন্দিয়াই যায়, মগজুত আলোড়ন সৃষ্টি কৰে তাৰ একমাত্ৰ কাৰণটোৱে হ'ল তেওঁ সৰ্বসাধাৰণ ৰাইজৰ অন্তৰখন অনুভৱ কৰিব পাৰিছিল। অনাগত দিনত জুবিন গাৰ্গৰ সৃষ্টিৰাজিক নৱ প্ৰজন্মৰ জৰিয়তে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায় তেওঁ সাংস্কৃতিক কোষৰ সমন্বয়ক ৰীতা গোস্বামীয়ে আঁত ধৰা এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰীয়ে বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। স্মৰ্তব্য যে অনুষ্ঠানটোত উপস্থিত থকা বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী সমন্বিতে উপস্থিত ৰাইজে জুবিন গাৰ্গৰ অপূৰ্ব সৃষ্টি মায়াবিনী গীতটি একেলগে পৰিৱেশন কৰি অনুষ্ঠানৰ সামৰণি পেলায়।